# সোণাৰিত চাহ কৰ্মচাৰীলৈ বঁটা

বিশেষ বাৰ্তা, সোণাৰি, ৩০ মাৰ্চ ঃ চৰাইদেউ জিলা ভিত্তিত প্ৰথমবাৰৰ বাবে এ পি জে টি কোম্পানীয়ে জিলাখনৰ অন্তৰ্গত চাহ বাগিচাসমূহৰ শ্ৰেষ্ঠ চাহ কৰ্মচাৰীসমূহৰ নাম ঘোষণা কৰাৰ লগতে বঁটা প্ৰদান কৰে। জিলাখনৰ জবকা, নাফুক, চক্ৰাই আৰু মথুৰাপুৰ চাহ বাগিচাৰ ২০১৮ বৰ্ষত বেছি কেঁচা চাহপাত উত্তোলন কৰা চাহ কৰ্মচাৰীসকলক শ্ৰেষ্ঠ পাত উত্তোলক কৰ্মচাৰীৰ বঁটা প্ৰদান কৰে। শ্ৰেষ্ঠপাত উত্তোলক হিচাপে নিৰ্বাচিত হোৱা চাহ কৰ্মচাৰীসকল হৈছে নাফুক চাহ বাগিচাৰ ৰুমা বাউৰী, আৰতি গোৱালা, মথুৰাপুৰ চাহ বাগিচাৰ অৰশ তাঁতী, জবকা চাহ বাগিচা আৰু গংগাজল কন্দ কলঘৰৰ শ্ৰেষ্ঠ কৰ্মচাৰী হিচাপে নিৰ্বাচিত হয়। নাফুখ চাহ বাগিচাৰ ৰাজহুৱা প্ৰেক্ষাগৃহত নাফুক চাহ বাগিচাৰ জনকল্যাণ বিষয়া নয়ন মানকীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত শ্ৰেষ্ঠ কৰ্মচাৰী বঁটাসমূহ প্ৰদান কৰে এ পি জে টি কোম্পানীৰ 'চিংল' গ্ৰুপৰ মুখ্য পৰিচালক প্ৰদীপ কাকতি আৰু কোম্পানীটোৰ মানৱ সম্পদ বিভাগৰ পৰিচালক ৰামকৃষ্ণ ঘোষে।